

# বিৰুবালা ৰাভাক সম্বৰ্ধনা বিকালী মৌজা সমিতিৰ

**নিয়মীয়া বাৰ্তা, ধূপধৰা, ২৮ ডিচেম্বৰ ঃ** গোৱালপাৰা জিলাৰ ধূপধৰাৰ বিকালী মৌজা উন্নয়ন সমিতিৰ উদ্যোগত ধূপধৰা সাপ্তাহিক বজাৰ ময়দান প্ৰাংগণত অলপতে এক ৰাজহুৱা সম্বৰ্ধনা সভাৰ আয়োজন কৰা হয়। এই সম্বৰ্ধনা সভাত ডাইনী হত্যা, কু-সংস্কাৰ, অন্ধবিশ্বাসৰ বিৰুদ্ধে যুঁজ দি অহা পদ্মশ্ৰী ড° বিৰুবালা ৰাভাক সম্বৰ্ধনা জনোৱা হয়। বিকালী মৌজা উন্নয়ন সমিতিৰ সভাপতি লৱকুমাৰ কছাৰীৰ সভাপতিত্বত অনুষ্ঠিত এই সম্বৰ্ধনা সভাত ভাৰত চৰকাৰৰ দ্বাৰা পদ্মশ্ৰী বঁটাপ্ৰাপক ড° বিৰুবালা ৰাভাৰ উপৰি অলপতে গোৱাত অনুষ্ঠিত ৰাষ্ট্ৰীয় কিক বক্সিং প্ৰতিযোগিতাত স্বৰ্ণপদক লাভ কৰা মাছলাম মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ মৃণাল কুমাৰ ৰাভা আৰু বিগত নিৰ্বাচনত নিৰ্বাচিত হোৱা ৩৬নং দুধনৈ বিধানসভা সমষ্টিৰ বিধায়ক যাদৱ স্বৰ্গীয়াৰীকো সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা সভাত বিকালী মৌজা উন্নয়ন সমিতিয়ে আটাইকেইগৰাকী ব্যক্তিলৈ একোখনকৈ সম্বৰ্ধনা পত্ৰ, শৰাই, জাপি, ফুলাম গামোচা, আৰনাই তথা পাজাৰেৰে সম্বৰ্ধনা জনায়। ইফালে একেটা অনুষ্ঠানতে ড° বিৰুবালা ৰাভা সমন্বিতে তিনিওগৰাকী ব্যক্তিক ধূপধৰা তিনিদলীয়া ৰাইজ, ধূপধৰা মিলন সংঘ, লেখিকা সমাৰোহ, ধূপধৰা আঞ্চলিক ৰাভা ছাত্ৰ সন্থা, ধূপধৰা মুছলিম ৰাইজ, শ্ৰীশ্ৰীজগতগুৰু নামঘৰ, ধূপধৰা ৰাভাপাৰা ৰাইজ, ধূপধৰা মহিলা সমিতি আৰু খুঁটাবাৰী গাঁও উন্নয়ন সমিতিয়েও সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানটোত কেইবাটাও স্থানীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ ব্যক্তি তথা কেইবাগৰাকী জনপ্ৰতিনিধি আৰু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।